**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-06-2024
**Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইটালীৰ অপুলীয়াত অনুষ্ঠিত জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ সুযোগতে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৰেল মাক্ৰ’, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি চুনাক আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ’ল’ডিমিৰ জেলেনস্কিক সাক্ষাৎ কৰে।

২। চৰকাৰে কয়লা খণ্ডৰ নিলামৰ দশম ৰাউণ্ড আৰম্ভ কৰিব। এই ৰাউণ্ডত ৬২ টা খণ্ড নিলাম কৰা হ’ব।

৩। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই NEET-ৰ বিষয় লৈ চৰকাৰক তীব্ৰ সমালোচনা কৰিছে।

৪। দেশত যোৱা মে’ত পাইকাৰী মূল্য সূচকাংক আধাৰিত মুদ্ৰাস্ফীতি ২ দশমিক ৬ শতাংশলৈ বৃদ্ধি পাইছে।

আৰু

৫। আমেৰিকা যুক্তৰাষ্ট্ৰ আজি আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আয়াৰলেণ্ডৰ সন্মুখীন হ’ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইটালীৰ অপুলীয়াত অনুষ্ঠিত জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ সুযোগতে কেইবাখনো দেশৰ নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। শ্ৰী মোদীয়ে আজি বিয়লি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৰেল মাক্ৰ’ক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা, পাৰমাণৱিক, মহাকাশ শিক্ষা, জলবায়ু, পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ প্ৰতিৰোধী ব্যৱস্থা, ডিজিটিয় ৰাজহুৱা আন্তঃগাঁথনি, গুৰুত্বপূৰ্ণ প্ৰযুক্তি, যোগাযোগ আৰু সংস্কৃতিকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। তেওঁলোকে লগতে গুৰুত্বপূৰ্ণ গোলকীয় আৰু আঞ্চলিক বিষয়সমূহক লৈ মত বিনিময় কৰে। আলোচনাকালত নেতা দুগৰাকীয়ে মেক ইন্ ইণ্ডিয়া উদ্যমত বিশেষ গুৰুত্ব আৰোপ কৰি কৌশলগত প্ৰতিৰক্ষা সহযোগিতা অধিক সুদৃঢ় কৰাৰ সপক্ষে মত পোষণ কৰে। তেওঁলোকে অহা বছৰ ফ্ৰান্সত হ’বলগীয়া কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলন আৰু ৰাষ্ট্ৰসংঘৰ মহাসাগৰ সন্মিলনৰ পৰিপ্ৰেক্ষিতত ঘনিষ্ঠতাৰে কাম কৰি কৃত্ৰিম বুদ্ধিমত্তা, গুৰুত্বপূৰ্ণ আৰু উদীয়মান প্ৰযুক্তি, শক্তি আৰু ক্ৰীড়া খণ্ডত সহযোগিতা সম্প্ৰসাৰণ কৰিবলৈও সন্মতি প্ৰকাশ কৰে।

সুস্থিৰ আৰু সমৃদ্ধিশালী গোলকীয় শৃংখলাৰ বাবে ভাৰত আৰু ফ্ৰান্সৰ মাজত শক্তিশালী আৰু বিশ্বাসযোগ্য কৌশলগত সহযোগিতা গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰি দুয়োগৰাকী নেতাই এই সম্পৰ্ক নতুন শিখৰলৈ লৈ যোৱাৰ বাবে কাম কৰিবলৈ সন্মতি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীক আসন্ন পেৰিছ অলিম্পিক আৰু পেৰালিম্পিক ক্ৰীড়া মহোৎসৱৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি জি ছেভেন শীৰ্ষ সন্মিলনৰ আপাহতে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি চুনাককো সাক্ষাৎ কৰে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্যকালত ভাৰত-ব্ৰিটেইন সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক সুদৃঢ় কৰাৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। তেওঁ কয় যে অৰ্ধ পৰিবাহক, প্ৰযুক্তি আৰু বাণিজ্যৰ লেখীয়া খণ্ডসমূহত উভয় দেশৰ মাজৰ সম্পৰ্ক অধিক গভীৰ কৰাৰ থল আছে। দুয়োগৰাকী নেতাই লগতে প্ৰতিৰক্ষা খণ্ডত সম্পৰ্ক শক্তিশালী কৰাৰ বিষয়েও আলোচনা কৰে।

শ্ৰী মোদীয়ে শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ’ল’ডিমিৰ জেলেন্‌স্কিকো সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কসুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। তেওঁলোকে লগতে দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা চলায় আৰু ইউক্ৰেইনৰ পৰিস্থিতি তথা ছুইজাৰলেণ্ডে আয়োজন কৰা আসন্ন শান্তি সন্মিলনৰ বিষয়ে মত বিনিময় কৰে। শ্ৰী মোদীয়ে কয় যে ভাৰত ইউক্ৰেইনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ আগ্ৰহী। বৰ্তমানৰ সংঘৰ্ষ সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয় যে ভাৰতে মানৱ কেন্দ্ৰিক দৃষ্টিভংগীত বিশ্বাস কৰে আৰু আলোচনা তথা কূটনীতিয়েই শান্তিৰ পথ বুলি গণ্য কৰে।

0000000

চৰকাৰে কয়লা খণ্ডৰ নিলামৰ দশম ৰাউণ্ড আৰম্ভ কৰিব। এই ৰাউণ্ডত ৬২ টা খণ্ড নিলাম কৰা হ’ব। কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে অহা সপ্তাহত বাণিজ্যিক কয়লা খণ্ডৰ নিলাম প্ৰক্ৰিয়া আৰম্ভ কৰিব।

কয়লা মন্ত্ৰালয়ে কৈছে যে প্ৰধানমন্ত্ৰীয়ে ২০২০ চনত বাণিজ্যিক কয়লা খণ্ডৰ নিলাম প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। তেতিয়াৰেপৰা মন্ত্ৰালয়ে যোৱা ৯টা ৰাউণ্ডৰ অধীনত সফলতাৰে ১০৭ টা কয়লাখণ্ডৰ নিলাম প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। বৰ্তমান ১১ টা বাণিজ্যিক কয়লা খণ্ড কাৰ্যক্ষম হৈ আছে।

0000000

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি NEET বিষয়ত চৰকাৰক তীব্ৰ সমালোচনা কৰে। NEET পৰীক্ষাত কেলেংকাৰী হোৱাৰ অভিযোগ উত্থাপন কৰি তেওঁ কয় যে চৰকাৰে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ অপব্যৱহাৰ কৰি নম্বৰ আৰু ৰেংকত ব্যাপক খেলিমেলি সংঘটিত কৰিছে। শ্ৰী খাৰ্গেই এটা টুইটযোগে চৰকাৰৰ এই কাৰ্যক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে চৰকাৰে ২৪ লাখ ছাত্ৰ-ছাত্ৰীৰ আশা-আকাংক্ষাক চূৰ্ণ কৰি পেলাইছে।

0000000

ভাৰতৰ পাইকাৰী মূল্য সূচকাংক ভিত্তিক মুদ্ৰাস্ফীতি ২০২৪ চনৰ মে’ মাহত ২ দশমিক ৬ৰ শতাংশলৈ বৃদ্ধি পাইছে। ২০২৩ চনৰ মাৰ্চ মাহত এই হাৰ ১ দশমিক ৪ - ১ শতাংশলৈ হ্ৰাস পায়। খাদ্য সামগ্ৰীৰ উৎপাদন, খাৰুৱা পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ, খনিজ তেল আদি বৃহৎ খণ্ডসমূহৰ মূল্যবৃদ্ধিয়ে, পাইকাৰী মূল্য সূচকাংক ভিত্তিক মুদ্ৰাস্ফীতিৰ বৃদ্ধিৰ শেহতীয়া কাৰণ হ’ব পাৰে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে আজি প্ৰকাশ কৰে। ২০১৪ চনৰ মে’ মাহত প্ৰাথমিক সামগ্ৰীৰ সূচকাংক দশমিক ৫ - ৪ শতাংশ বৃদ্ধি পাইছে। ইন্ধন আৰু শক্তি খণ্ডৰ মূল্য ১ দশমিক ৩ - ৫ শতাংশ বৃদ্ধি পাইছে। এপ্ৰিল মাহত শূন্য দশমিক ৪ - ২ শতাংশ হ্ৰাসৰ বিপৰীতে নিৰ্মিত সামগ্ৰীৰ সূচকাংক ৩ দশমিক ৭ - ৮ শতাংশলৈ বৃদ্ধি পাইছে।

খাদ্যৰ মূল্য এপ্ৰিল মাহত ৫ দশমিক ৫ - ২ শতাংশ বৃদ্ধি পাইছে। শাক-পাচলিৰ মূল্য বছৰৰ পিছত বছৰ ধৰি ৩২ দশমিক ৪ - ২ শতাংশ বিশেষভাৱে দ্ৰুত হাৰত বৃদ্ধি পাইছে য’ত এই হাৰ পূৰ্বৰ মাহত ২৭ দশমিক ৯ - ৪ শতাংশ বৃদ্ধি পাইছিল।

0000000

শ্ৰম সচিব সুমিত্ৰা দাওৰাই আজি কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাৰ সংস্কাৰ সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে পৰ্যালোচনা বৈঠকত সামাজিক নিৰাপত্তাৰ সম্প্ৰসাৰণ আৰু জীৱন ধাৰণ তথা ব্যৱসায় সুচল কৰি তোলাৰ বাবে নতুন উদ্যমৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰালয়ে দ্ৰুত দাবী নিষ্পত্তিৰ বাবে কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাই ৰোগ, শিক্ষা, বিবাহ আৰু গৃহ নিৰ্মাণৰ বাবে ১ লাখ টকা পৰ্যন্ত অগ্ৰিম ধনৰাশিৰ স্বয়ংক্ৰিয় নিষ্পত্তি ব্যৱস্থা কাৰ্যকৰী কৰিছে। এই ব্যৱস্থাৰে প্ৰায় ২৫ লাখ অগ্ৰিম দাবী আৰু ৫০ শতাংশৰো অধিক ৰোগ সম্পৰ্কীয় দাবী নিষ্পত্তি কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে কৈছে যে এই ব্যৱস্থাৰ ফলত দাবী নিষ্পত্তিৰ প্ৰক্ৰিয়া ত্বৰান্বিত হৈছে আৰু তিনিদিনৰ ভিতৰতে এনে ভালেসংখ্যক দাবী নিষ্পত্তি

কৰিব পৰা গৈছে। পৰ্যালোচনা বৈঠকত মোকৰ্দমা ব্যৱস্থাপনা আৰু হিচাপ-নিকাচ পৰীক্ষা পৰিচালনাৰ সংস্কাৰৰ বিষয়েও আলোচনা কৰা হয়। মন্ত্ৰালয়ে কৈছে যে শ্ৰম সচিব সুমিত্ৰা দাওৱাই কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাৰ প্ৰণালীগত সংস্কাৰৰ সক্ৰিয় পদক্ষেপসমূহ অব্যাহত ৰখাৰ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০

নতুন দিল্লীত আজি দুদিনীয়া ভাৰত IORA ক্ৰুজ পৰ্যটন সন্মিলনৰ সামৰণি পৰে। বাংলাদেশ, কেনিয়া, মাদাগাস্কাৰ, মালদ্বীপ, মোজাম্বিক, শ্ৰীলংকা, দক্ষিণ আফ্ৰিকা, ছিচেলছ আৰু তাঞ্জানিয়াকে ধৰি ভাৰত মহাসাগৰীয় ৰিম এছ'চিয়েচনৰ সদস্য ৰাষ্ট্ৰৰ বিষয়া আৰু বিশেষজ্ঞসকলে এই সন্মিলনত অংশগ্ৰহণ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে এই সন্মিলনে অংশীদাৰসকলক IORA ৰ সদস্য ৰাষ্ট্ৰসমূহৰ ক্ৰুজ পৰ্যটন খণ্ডৰ বিকাশ আৰু শক্তিশালী কৰাৰ দিশত উত্তম পদ্ধতি আৰু নীতিগত পদক্ষেপসমূহ বিতৰণ কৰাৰ এখন মঞ্চ প্ৰদান কৰে। আলোচনাত আন্তঃগাঁথনি উন্নয়ন, নিয়ন্ত্ৰণমূলক বিষয়, বহনক্ষম পৰ্যটন, নিয়োগ সৃষ্টি, মহিলাৰ অন্তৰ্ভুক্তি আৰু ব্যৱসায়িক সুযোগ আদিৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আজি আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আয়াৰলেণ্ডৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। এই খেলখনত জয়লাভ কৰিলে আমেৰিকা যুক্তৰাষ্ট্ৰই ছুপাৰ-এইট পৰ্যায়ত স্থান লাভ কৰিব আৰু এনে হ'লে পাকিস্তানৰ আশাত চেঁচাপানী পৰিব। আমেৰিকা যুক্তৰাষ্ট্ৰ সম্প্ৰতি প্ৰতিযোগিতাৰ গ্ৰুপ এৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আৰু পাকিস্তান তৃতীয় স্থানত আছে। ভাৰত গ্ৰুপ এৰ শীৰ্ষত আছে।

ইপিনে আফগানিস্তানে আজি পুৱা ট্ৰিনিডাদৰ ব্ৰিয়ান লাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-চিৰ এখন খেলত পাপুৱা নিউগিনিক ৭ উইকেটত পৰাস্ত কৰে। আফগানিস্তানেৰ জয়ৰ বাবে ৯৬ ৰাণৰ লক্ষ্যৰে খেলি ১৫ অভাৰ আৰু এটা বলত তিনিটা উইকেটৰ বিনিময়ত ১০১ ৰাণ কৰে। দলটোৰ হৈ গোলবদিন নাইবে কেৱল ৩৬ টা বলত ৪৯ ৰাণ কৰি অপৰাজিত হৈ থাকে। ইয়াৰ পূৰ্বে পাপুৱা নিউগিনিয়ে প্ৰথমে বেট ধৰি ১৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯৫ ৰাণ কৰে। আফগানিস্তানৰ হৈ ফজল হক ফাৰুকিয়ে তিনিটা আৰু নবীন-উল হকে দুটা উইকেট দখল কৰে। ফাৰুকিক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত আফগানিস্তানে গ্ৰুপ-চিৰ পৰা আয়োজক ৱেষ্টইণ্ডিজৰ সৈতে ছুপাৰ-৮ পৰ্যায়ত নিজৰ স্থান নিশ্চিত কৰিলে। নিউজিলেণ্ড, পাপুৱা নিউগিনি আৰু উগাণ্ডাই পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হোৱাত ব্যৰ্থ হয়।

০০০০০০০

**সমাপ্ত**